**REGIONAL NEWS UNIT**
ALL INDIA RADIO, GUWAHATI
0000000000

**Date :** 17-OCT-2026
**Time :** 09-00 AM

***Assamese Morning Bulletin***
——————————————

## Headlines

১। ৰাজ্যত প্ৰায় ৫ লাখ কোটি টকাৰ ঔদ্যোগিক বিনিয়োগৰ চুক্তি স্বাক্ষৰিত হৈছে বুলি মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাৰ প্ৰকাশ।

২। ফটোযুক্ত ভোটদাতা তালিকাৰ বিশেষ সংক্ষিপ্ত সংশোধনী প্ৰক্ৰিয়া আৰম্ভ। ৰাজ্যত অহা ১২ নৱেম্বৰত খচৰা ভোটাৰ তালিকা প্ৰকাশ।

৩। আজি সপ্তমী। শাৰদীয় দুৰ্গোৎসৱ উপলক্ষে ৰাজ্যত উৎসৱমুখৰ পৰিৱেশ।

৪। বিশ্বৰ শীৰ্ষ দুই শতাংশ বিজ্ঞানীৰ তালিকাত গুৱাহাটী বিশ্ববিদ্যালয়ৰ ছগৰাকী অধ্যাপকে গৱেষণামূলক সাফল্যৰ জৰিয়তে স্থান লাভ। **আৰু**

৫। টি-২০ মহিলা ক্ৰিকেটৰ যোৱা নিশা অনুষ্ঠিত এখন খেলত জিম্বাব’ৱেৰ বিৰুদ্ধে ভাৰতৰ ৪ উইকেটত জয়লাভ।

০০০০০০

ৰাজ্যত সম্প্ৰতি ঔদ্যোগিকৰণ আৰু বিনিয়োগৰ পৰিৱেশ সৃষ্টি হৈছে আৰু ইতিমধ্যে প্ৰায় ৫ লাখ কোটি টকাৰ ঔদ্যোগিক বিনিয়োগৰ চুক্তি স্বাক্ষৰিত হৈছে। ইয়াৰে প্ৰায় ৪ লাখ কোটি টকাৰ প্ৰকল্পৰ কামো আৰম্ভ হৈছে। বেংগালুৰুত কালি নৱনিৰ্মিত অসম ভৱন মুকলি কৰি মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাই এই মন্তব্য কৰে। তেওঁ কয়, যে জাগীৰোডৰ ছেমি কণ্ডাক্টৰ প্ৰকল্পৰ সমান্তৰালকৈ ইণ্ডিয়ান ছেমি কণ্ডাক্টৰ মিছন-২ৰ অধীনত অধিক প্ৰকল্প স্থাপনৰ দিশত চৰকাৰ আগবাঢ়িছে। নামৰূপ সাৰ কাৰখানা, চাপৰৰ থাৰ্মেল পাৱাৰ প্লাণ্ট, গুৱাহাটী বিমানবন্দৰৰ সমীপত ছেটেলাইট চিটী তথা ফ্লায়িং স্কুল আদি নিৰ্মাণৰ জৰিয়তে ৰাজ্যখনত নিযুক্তিৰ অপাৰ সুযোগ সৃষ্টি হ’ব বুলি মুখ্যমন্ত্ৰীয়ে উল্লেখ কৰে। ৰাজ্যৰ দ্ৰুত উদ্যোগীকৰণৰ বিষয়ত বিশেষভাৱে আলোকপাত কৰি ড০ শৰ্মাই কয় যে ছিকিউৰিটী গাৰ্ডৰ দৰে কামৰ বাবে অসমৰ যুৱক-যুৱতী বহিঃৰাজ্যলৈ যোৱাটো অতি দুৰ্ভাগ্যজনক। অসমত ঔদ্যোগিকৰণ, কৃষি বিপ্লৱ আৰু নিৰন্তৰ নিযুক্তি প্ৰক্ৰিয়া অব্যাহত থাকিলে এই সমস্যাৰ সমাধান হ’ব বুলি তেওঁ প্ৰকাশ কৰে।

**বাইট (চি এম)**

উল্লেখযোগ্য যে কালি মুকলি কৰা বেংগালুৰুৰ অসম ভৱনৰ জৰিয়তে কৰ্ণাটককে ধৰি দাক্ষিণাত্যত বাস কৰা, বিভিন্ন কামত নিয়োজিত নাইবা চিকিৎসা আদিৰ বাবে যোৱা অসমৰ লোকসকলক উপকৃত কৰিব। ৭১ কোটি টকা ব্যয়েৰে অত্যাধুনিক সা-সুবিধাৰে নিৰ্মিত অসম ভৱনত বিশিষ্ট অতিথিৰ বাবে বিশেষ কোঠাৰ লগতে আৱাসিক কক্ষ, সন্মিলন কক্ষ, ভোজনালয়, প্ৰদৰ্শনী গৃহ আদিকে ধৰি অন্যান্য সুবিধাসমূহ আছে।

দেশৰ অন্যান্য ঠাইসমূহতো অসম ভৱন মুকলিৰ কথা প্ৰকাশ কৰি মুখ্যমন্ত্ৰীয়ে নতুন দিল্লীৰ পুৰণি অসম ভৱন ভাঙি নতুনকৈ আন এটা ভৱন নিৰ্মাণৰ কথা জানিবলৈ দিয়ে।

## বাইট (চি এম)-১

০০০০০০

ৰাজ্যত ফটোযুক্ত ভোটদাতা তালিকাৰ বিশেষ সংক্ষিপ্ত সংশোধনীৰ বাবে মুখ্য নিৰ্বাচনী বিষয়াৰ কাৰ্যালয়ে সময়সূচী ঘোষণা কৰিছে। এই অনুসৰি খচৰা ভোটাৰ তালিকা ১২ নৱেম্বৰত প্ৰকাশ কৰা হ'ব। ভোটাৰ তালিকা সন্দৰ্ভত কোনো দাবী বা আপত্তি থাকিলে ১১ ডিচেম্বৰৰ ভিতৰত দাখিল কৰিব পাৰিব। ২৮ ডিচেম্বৰৰ ভিতৰত এই আপত্তিসমূহৰ নিষ্পত্তি কৰি অহা বছৰৰ ৪ জানুৱাৰীত চূড়ান্ত ভোটাৰ তালিকা প্ৰকাশ কৰা হ'ব বুলি মুখ্য নিৰ্বাচনী বিষয়াৰ কাৰ্যালয়ে প্ৰকাশ কৰিছে। দেশৰ ১৪ খন ৰাজ্য আৰু ৩ খন কেন্দ্ৰীয়শাসিত অঞ্চলতো বিশেষ সংক্ষিপ্ত সংশোধনী প্ৰক্ৰিয়া ৰূপায়ণ কৰা হ'ব। ভাৰতৰ নিৰ্বাচন আয়োগৰ নিৰ্দেশমৰ্মে শুদ্ধ আৰু ত্ৰুটিমুক্ত ভোটাৰ তালিকা প্ৰস্তুত কৰাৰ লক্ষ্যৰে এই বিশেষ সংশোধনী প্ৰক্ৰিয়া গ্ৰহণ কৰা হৈছে। তদুপৰি ভোটকেন্দ্ৰসমূহৰ যুক্তিযুক্তকৰণ আৰু পুনৰ ব্যৱস্থাপনাৰ বাবেও ব্যৱস্থা লোৱা হৈছে।

নিৰ্বাচন আয়োগৰ পূৰ্বানুমতি অবিহনে কোনো ভোটগ্ৰহণ কেন্দ্ৰত  ভোটদাতাৰ সংখ্যা এহেজাৰ ২০০ গৰাকীতকৈ বেছি হ'ব নোৱাৰিব। ভোটদাতাই যাতে ভোটদানৰ বাবে ২ কিলোমিটাৰতকৈ বেছি দূৰত্ব ভ্ৰমণ কৰিবলগীয়া নহয় আৰু কোনো প্ৰাকৃতিক বাধাৰ সন্মুখীন হ'বলগীয়া নহয় তাৰ প্ৰতি বিশেষ লক্ষ্য ৰখা হ'ব। ভোটদাতাৰ সুবিধালৈ লক্ষ্য ৰাখি ভোটগ্ৰহণ কেন্দ্ৰসমূহ ভূমি মহলাত স্থাপন কৰাৰ ক্ষেত্ৰতো গুৰুত্ব আৰোপ কৰা হৈছে।

চহৰৰ বস্তি অঞ্চল, উচ্চ অট্টালিকা আৰু আৱাসিক কলনিসমূহত নতুন ভোটগ্ৰহণ কেন্দ্ৰ স্থাপনৰ বাবে বিশেষ জৰীপ চলোৱা হ'ব। প্ৰস্তাৱিত নতুন ভোটগ্ৰহণ কেন্দ্ৰৰ প্ৰয়োজনীয়তা মূল্যায়ন কৰাৰ লগতে বৰ্তমানৰ আৰু নতুনকৈ প্ৰস্তাৱিত সকলো কেন্দ্ৰৰ এশ শতাংশ কায়িক পৰীক্ষণ কৰা হ'ব। জিলা নিৰ্বাচনী বিষয়াসকলে জ্যেষ্ঠ বিষয়াৰ জৰিয়তে এই পৰীক্ষণ নিশ্চিত কৰিব। ৰাজ্যিক নিৰ্বাচন আয়োগে জনোৱা মতে নতুন ভোটগ্ৰহণ কেন্দ্ৰৰ প্ৰস্তাৱ চূড়ান্ত কৰাৰ পূৰ্বে স্বীকৃত ৰাজনৈতিক দলসমূহৰ প্ৰতিনিধিৰ সৈতেও আলোচনা কৰা হ'ব। বিশেষ সংক্ষিপ্ত সংশোধনীৰ সময়ছোৱাত দ্বৈত নাম, মৃত ভোটদাতা আৰু স্থায়ীভাৱে স্থানান্তৰিত ভোটদাতাসকলৰ নাম চিনাক্ত কৰি নিৰ্ধাৰিত নিয়ম অনুসৰি ভোটাৰ তালিকাৰ পৰা আঁতৰোৱাৰ ব্যৱস্থা কৰা হ'ব। ইয়াৰ বাবে প্ৰপত্ৰ-৭ৰ জৰিয়তে প্ৰয়োজনীয় ব্যৱস্থা গ্ৰহণ কৰা হ'ব।

০০০০০০

বিশ্বৰ শীৰ্ষ দুই শতাংশ বিজ্ঞানীৰ তালিকাত গুৱাহাটী বিশ্ববিদ্যালয়ৰ ছগৰাকী অধ্যাপকে গৱেষণামূলক সাফল্যৰ জৰিয়তে স্থান লাভ কৰি অসম তথা উত্তৰ-পূৰ্বাঞ্চললৈ গৌৰৱ কঢ়িয়াই আনিছে। শেহতীয়াকৈ বিশ্বৰ অন্যতম প্ৰসিদ্ধ আন্তঃৰাষ্ট্ৰীয় শৈক্ষিক প্ৰতিষ্ঠান ষ্টেনফৰ্ড বিশ্ববিদ্যালয় আৰু নেডাৰলেণ্ডছৰ গৱেষণা প্ৰতিষ্ঠান এলছেভিয়াৰৰ উদ্যোগত প্ৰকাশিত চলিত বৰ্ষৰ তালিকাত এই ছগৰাকী অধ্যাপকৰ নাম অন্তৰ্ভুক্ত কৰা হৈছে। তেওঁলোক হৈছে বিশিষ্ট জলবায়ুবিদ তথা অনুসন্ধান ৰাষ্ট্ৰীয় গৱেষণা ফাউণ্ডেচনৰ সন্মানীয় প্ৰধানমন্ত্ৰী অধ্যাপনা কাৰ্যসূচীৰ অধ্যাপক ভূপেন্দ্ৰ নাথ গোস্বামী, ৰসায়ন বিজ্ঞান বিভাগৰ অধ্যাপক প্ৰদীপ ফুকন আৰু অধ্যাপক ৰঞ্জিত ঠাকুৰীয়া, গণিত বিভাগৰ অধ্যাপক বিপন হাজৰিকা, উদ্ভিদ বিজ্ঞান বিভাগৰ ড০ অৰুণ কুমাৰ দত্ত তথা ইলেকট্ৰনিক্স আৰু কমিউনিকেচন ইঞ্জিনিয়াৰিঙৰ ড০ লাচিত দত্ত। গুৱাহাটী বিশ্ববিদ্যালয়ৰ উপাচাৰ্য অধ্যাপক ড০ ননীগোপাল মহন্তই এই সাফল্যৰ বাবে শুভেচ্ছা জনাই কয়, যে এই স্বীকৃতিয়ে বিশ্ববিদ্যালয়খনলৈ গৌৰৱ কঢ়িয়াই আনিছে। গৱেষণাৰ ক্ষেত্ৰত লাভ কৰা এই সফলতাই

গৱেষকসকলক ভৱিষ্যতে নতুন চিন্তা, উদ্ভাৱন আৰু উৎকৃষ্ট গৱেষণাৰ দিশত আগবাঢ়ি যাবলৈ উৎসাহিত কৰিব বুলি তেওঁ আস্থা ব্যক্ত কৰে।

০০০০০০

শাৰদীয় দুৰ্গা পূজাৰ আজি সপ্তমী। কালি ষষ্ঠীত দেৱী দুৰ্গাৰ বোধন, আমন্ত্ৰণ আৰু অধিবাসৰ জৰিয়তে পূজাৰ মূল আনুষ্ঠানিকতা আৰম্ভ কৰা হয়। বিশ্বাস অনুসৰি এইবাৰ দেৱী দুৰ্গাৰ ঘোঁৰাত আগমন ঘটিছে আৰু নাৱত গমন হ'ব।

শাৰদীয় দুৰ্গোৎসৱ উপলক্ষে ৰাজ্যত উৎসৱমুখৰ পৰিৱেশ বিৰাজ কৰিছে। পূজা-মণ্ডপসমূহ আটকধুনীয়াকৈ আলোকসজ্জাৰে সজ্জিত কৰা হৈছে। ইতিহাস প্ৰসিদ্ধ দেৱালয়সমূহত নৱৰাত্ৰিৰ প্ৰথম দিনাৰে পৰা যথাবিহিত ৰীতি-নীতিৰে দেৱী দুৰ্গাৰ পূজা-অৰ্চনা কৰা হৈছে। নৱৰাত্ৰিৰ ষষ্ঠ দিনটোত কালি দেৱী দুৰ্গাক কাত্যায়নী ৰূপত পূজা কৰা হয়।

গুৱাহাটীৰ সমান্তৰালকৈ ৰাজ্যৰ অন্যান্য স্থানসমূহতো উলহ মালহেৰে দুৰ্গা পূজা আয়োজন কৰা হৈছে। **ডিব্ৰুগড়** জিলাত প্ৰায় ১২০ খনৰো অধিক পূজা অনুষ্ঠিত হৈছে। কালি ডিব্ৰুগড়ৰ কেইবাখনো পূজাথলীত কেন্দ্ৰীয় মন্ত্ৰী সৰ্বানন্দ সোণোৱাল, মন্ত্ৰী বিমল বৰা, বিধায়ক প্ৰশান্ত ফুকন, চক্ৰধৰ গগৈকে ধৰি ভালেসংখ্যক লোক উপস্থিত হৈ দেৱীলৈ পূজা-অৰ্চনা আগবঢ়ায়।
ইপিনে দুৰ্গা পূজাৰ ভিৰৰ প্ৰতি লক্ষ্য ৰাখি ডিব্ৰুগড় যান-বাহন আৰক্ষীয়ে কেতবোৰ নীতি-নিৰ্দেশনা জাৰি কৰিছে। লগতে শান্তিপূৰ্ণভাৱে শাৰদীয় দুৰ্গোৎসৱ উপভোগৰ বাবে সকলোকে আহ্বান জনাইছে।

বান-বিধ্বস্ত **শিৱসাগৰ** জিলাত দুৰ্গা পূজাৰ মণ্ডপসমূহ এইবেলি জাক-জমকতা পৰিহাৰ কৰি পূজা সমিতিসমূহে কম বাজেটৰ ভিতৰত থলুৱা সামগ্ৰীৰে সজাই তুলিছে। বিশেষকৈ ৬৬ বছৰীয়া শ্ৰী শ্ৰী নৱযুৱক দুৰ্গোৎসৱ সমিতিয়ে প্ৰায় চাৰিটা বাঁহৰ খৰাহীৰে পৰিৱেশ অনুকুল আকৰ্ষণীয় পূজাৰ মণ্ডপ তৈয়াৰ কৰিছে। শিৱসাগৰৰ জিলা আয়ুক্ত মৃদুল যাদৱে উদ্বোধন কৰা এই দুৰ্গোৎসৱ সন্দৰ্ভত এগৰাকী উদ্যোক্তাই এইদৰে কয় –

বাইট

**চৰাইদেউ** জিলাৰ সোণাৰিতো কালিৰেপৰা শাৰদীয় দুৰ্গোৎসৱ আৰম্ভ হৈছে। সোণাৰি তিনিআলিৰ পূজা মণ্ডপ জিলাখনৰ আয়ুক্ত ডঃ নেহা যাদৱে কালি উদ্বোধন কৰে। এই কাৰ্যসূচীত সমষ্টিটোৰ বিধায়ক ধৰ্মেশ্বৰ কোঁৱৰ, আৰক্ষী অধীক্ষক সুৰজিৎ সিং পানেচৰ আদিকে ধৰি ভালেসংখ্যক লোক উপস্থিত থাকে।

**শিলচৰৰ** কাঁচাকান্তি মন্দিৰত আজি সপ্তমীৰ পূজা-অৰ্চনা আৰম্ভ হৈছে। দেৱী দুৰ্গাৰ আশীষ বিচাৰি পুৱাৰেপৰা এই মন্দিৰত ৰাইজৰ সমাৱেশ দেখা গৈছে।
১৮ শতিকাত কছাৰী ৰজাই নিৰ্মাণ কৰা এই কাঁচাকান্তি মন্দিৰৰ দুৰ্গা পূজা ভাগলৈ মানুহৰ আকৰ্ষণ আজিও অব্যাহত আছে। ইফালে, জিলাখনৰ অম্বিকাপুৰ পূৰ্বপাৰা পূজা, চৌৰংগীৰ দুৰ্গাপূজা, দক্ষিণ অম্বিকাপুৰ শ্মশান ৰোডৰ দুৰ্গা পূজাসমূহলৈও জনসাধাৰণৰ আকৰ্ষণ পূৰ্বৰ দৰেই অব্যাহত আছে বুলি আমাৰ শিলচৰৰ সংবাদদাতাই জনাইছে।

**চিৰাং** জিলাতো কালিৰেপৰা বিভিন্ন মঠ-মন্দিৰ, পূজাথলীত শাৰদীয় দুৰ্গোৎসৱ আৰম্ভ হৈছে। জিলাখনৰ বিজনী, ২ নম্বৰ ভেটাগাঁৱৰ বুঢ়ী ঠাকুৰাণী থানাত আজি সপ্তমীৰ পূজা-অৰ্চনা যথাবিহিত নীতি-

নিয়মেৰে আৰম্ভ হৈছে। একেদৰে চিদলী দুৰ্গা মন্দিৰ, শিৱশংকৰ কলনী আদিতো আটক ধুনীয়াকৈ দুৰ্গোৎসৱ পালন কৰা হৈছে।

ধুবুৰী জিলাত দুৰ্গা পূজাৰ ব্যাপক আয়োজন কৰা হৈছে বুলি আমাৰ ধুবুৰীৰ সংবাদদাতাই জনাইছে। জিলাখনৰ হৰিসভা মন্দিৰ, গৌৰীপুৰ, মহামায়া, খেলপথাৰ আদিত দুৰ্গোৎসৱ অনুষ্ঠিত হৈছে।

০০০০০০

গোলাঘাট জিলাৰ মেৰাপানীৰ ২ নম্বৰ নেঘেৰীবিলত আজিৰেপৰা দ্বিতীয় পৰ্যায়ৰ উচ্ছেদ অভিযান চলোৱাৰ বাবে প্ৰশাসন সাজু হৈছে। বন বিভাগৰ লগতে গোলাঘাট জিলা প্ৰশাসনৰ উদ্যোগত এই উচ্ছেদ অভিযান চলোৱা হ'ব। আজি অঞ্চলটোৰ ৫৯ টা পৰিয়ালৰ বাসগৃহ উচ্ছেদৰ লক্ষ্য নিৰ্ধাৰণ কৰা হৈছে। উল্লেখযোগ্য যে পূৰ্বে উচ্ছেদ অভিযান চলোৱাৰ সময়ত এই পৰিয়ালকেইটাই ন্যায়ালয়ৰ পৰা স্থগিতাদেশ লাভ কৰিছিল। পৰৱৰ্তী সময়ত প্ৰশাসনে পুনৰ উচ্ছেদ চলোৱাৰ উদ্দেশ্যে তৎপৰতা গ্ৰহণ কৰাৰ পৰিপ্ৰেক্ষিতত আজি অঞ্চলটোত দ্বিতীয় পৰ্যায়ৰ উচ্ছেদ অভিযান চলিব।

নগাঁৱৰ ডবকাতো জিলা প্ৰশাসনে আজি উচ্ছেদ অভিযান চলাব।

০০০০০০

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে জনসেৱাৰ জৰিয়তে দেশ সেৱাৰ লক্ষ্যৰে ৰাজহুৱা সেৱাৰ ক্ষেত্ৰত ২৫ বছৰ সফলতাৰে সম্পূৰ্ণ কৰিছে আৰু সম্পূৰ্ণ দায়বদ্ধতাৰে এই সেৱা অব্যাহত ৰাখিছে। সেৱা আৰু সুশাসনৰ লক্ষ্যৰে চৰকাৰে ২০৪৭ চনৰ ভিতৰত বিকশিত ভাৰতৰ লক্ষ্যত উপনীত হোৱাৰ বাবে নিৰন্তৰ কাম কৰি আছে। সৰ্বাত্মক বিকাশ আৰু সামাজিক সবলীকৰণৰ জৰিয়তে চৰকাৰৰ এই নিষ্ঠাপূৰ্ণ সেৱাই জনসাধাৰণৰ জীৱনত ৰূপান্তৰ সাধন কৰিবলৈ সমৰ্থ হৈছে। এই শৃংখলাত আজি আত্মনিৰ্ভৰ ভাৰত অভিযানৰ জৰিয়তে অসমৰ বিকাশৰ ক্ষেত্ৰত কেন্দ্ৰীয় চৰকাৰৰ প্ৰয়াস সন্দৰ্ভত আলোকপাত কৰা হৈছে।

প্ৰতিবেদন—

০০০০০০

আকাশবাণী গুৱাহাটীৰ বাতৰি বিভাগৰ দৃষ্টিপাত অনুষ্ঠানত আজি নিশা ৮ বাজি ২ মিনিটত 'বহনক্ষম উন্নয়নৰ বাবে স্থানীয় সামগ্ৰী ব্যৱহাৰৰ পোষকতা' বিষয়ক এটি অনুষ্ঠান প্ৰচাৰ কৰা হ'ব। অনুষ্ঠানত ভাগ ল'ব CARE U 365 নামৰ সংস্থাৰ মুৰব্বী তথা সমাজসেৱী ভৃগু বৰঠাকুৰ আৰু বজাৰ বিশ্লেষক বিতোপন মজুমদাৰে। অনুষ্ঠানটিৰ আঁত ধৰিব অৰূপ কুমাৰ শৰ্মাই।

শ্ৰোতাসকলে আকাশবাণী গুৱাহাটীৰ বাতৰি বিভাগৰ ইউ টিউব চেনেল আৰু ফে'চবুক পেজৰ জৰিয়তেও অনুষ্ঠানটো শুনিবলৈ পাব।

০০০০০০

ভাৰত আৰু জিম্বাব'ৱেৰ মাজৰ টি-২০ মহিলা ক্ৰিকেটৰ তিনিখনীয়া শৃংখলাৰ যোৱা নিশা ৰায়পুৰত অনুষ্ঠিত প্ৰথমখন খেলত ভাৰতে জিম্বাব'ৱেক ৪ উইকেটত পৰাস্ত কৰে। ভাৰতে ১১৫ ৰানৰ বিজয় লক্ষ্যৰে খেল আৰম্ভ কৰি ১৫ অভাৰ ৪টা বলত ৬ উইকেটৰ বিনিময়ত নিৰ্ধাৰিত লক্ষ্য অতিক্ৰম কৰে। ভাৰতৰ হৈ দিপ্তী শৰ্মাই ৪৯ আৰু নিকি প্ৰসাদে ৩৯ ৰানৰ বৰঙণি আগবঢ়ায়। ইয়াৰ পূৰ্বে জিম্বাব'ৱেই প্ৰথমে বেট ধৰি নিৰ্ধাৰিত ২০ অভাৰত ৫টা উইকেট হেৰুৱাই ১১৪ ৰান সংগ্ৰহ কৰে। দিপ্তী শৰ্মাক প্লেয়াৰ অৱ দা মেচ ঘোষণা কৰা হয়।

শৃংখলাৰ দ্বিতীয়খন খেল কাইলৈ আৰু তৃতীয় তথা অন্তিমখন খেল ২০ অক্টোবৰত অনুষ্ঠিত হ'ব। টি-২০ আন্তঃৰাষ্ট্ৰীয় শৃংখলাৰ পাছতে ভাৰত আৰু জিম্বাব'ৱেৰ মাজত তিনিখন এদিনীয়া খেল অহা ২৩, ২৫ আৰু ২৮ অক্টোবৰত বডোডৰাত অনুষ্ঠিত হ'ব।

০০০০০০

শাৰদীয় দুৰ্গোৎসৱত ষষ্ঠীৰ বেদীত কালি দেৱী দুৰ্গাৰ প্ৰাণ প্ৰতিষ্ঠাৰ পাছত আজি সপ্তমী উপলক্ষে ৰাজ্যজুৰি দেৱী দুৰ্গাৰ আৰাধনা কৰাৰ বাতৰিটোক **অসমীয়া প্ৰতিদিন, দৈনিক অসম, দৈনিক অগ্ৰদূত**কে ধৰি গুৱাহাটীৰ পৰা প্ৰকাশিত প্ৰায় আটাইকেইখন বাতৰি কাকতে ভিন ভিন শিৰোনামেৰে প্ৰথম পৃষ্ঠাত স্থান দিছে। অসমীয়া প্ৰতিদিন কাকতৰ শিৰোনাম 'দেৱী দশভূজাৰ বন্দনাৰে মুখৰ দশোদিশ'। দৈনিক অসম কাকতৰ শিৰোনাম 'দেৱী বন্দনাৰে মুখৰ ৰাজ্য'।

মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই বেংগালুৰুৰ দদ্দা আলাদমাৰা ৰোডত কালি অসম ভৱন আনুষ্ঠানিকভাৱে মুকলি কৰাৰ বাতৰিটো **অসমীয়া খবৰ** কাকতে আলোকচিত্ৰসহ প্ৰথম পৃষ্ঠাত প্ৰকাশ কৰিছে।

ৰাজ্যত মাদকদ্ৰব্যৰ বিৰুদ্ধে চলোৱা অভিযানৰ সফলতাৰ বাবে মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মা আৰু অসম আৰক্ষীক কেন্দ্ৰীয় গৃহমন্ত্ৰী অমিত শ্বাহে অভিনন্দন জনোৱাৰ বাতৰিটো **নিয়মীয়া বাৰ্তা** কাকতে গুৰুত্ব সহকাৰে প্ৰথম পৃষ্ঠাত প্ৰকাশ কৰিছে।

ৰাজ্যত ফটোযুক্ত ভোটদাতা তালিকাৰ বিশেষ সংক্ষিপ্ত সংশোধনীৰ বাবে মুখ্য নিৰ্বাচনী বিষয়াৰ কাৰ্যালয়ে ঘোষণা কৰা অনুসৰি ১২ নৱেম্বৰত খচৰা ভোটাৰ তালিকা প্ৰকাশ কৰা হ'ব। এই বাতৰিটো **আমাৰ অসম, দা ছেণ্টিনেল** আৰু **দি আছাম ট্ৰিবিউন** কাকতে প্ৰথম পৃষ্ঠাত প্ৰকাশ কৰিছে।

বিশ্বৰ শীৰ্ষ ২ শতাংশ বিজ্ঞানীৰ তালিকাত গুৱাহাটী বিশ্ববিদ্যালয়ৰ ছগৰাকী অধ্যাপকে গৱেষণামূলক সাফল্যৰ জৰিয়তে স্থান লাভ কৰি অসম তথা উত্তৰ-পূৰ্বাঞ্চললৈ গৌৰৱ কঢ়িয়াই অনাৰ বাতৰিটোক **দৈনিক জনমভূমি** কাকতে আলোকচিত্ৰসহ প্ৰথম পৃষ্ঠাত স্থান দিছে।

০০০০০০

বতৰৰ বতৰা-

স্থানীয় বতৰৰ আগলি বতৰা অনুসৰি অহা ২৪ ঘণ্টাত গুৱাহাটী আৰু ইয়াৰ উপকণ্ঠ অঞ্চলত বতৰ আংশিকভাৱে ডাৱৰীয়া হৈ থকাৰ লগতে ৰাতিলৈ দুই-এজাক পাতলীয়া বৰষুণ অহাৰ সম্ভাৱনা আছে। আজি গুৱাহাটীৰ তাপমাত্ৰা সৰ্বোচ্চ ৩৩ ডিগ্ৰী ছেলছিয়াছ আৰু সৰ্বনিম্ন ২৩ ডিগ্ৰী ছেলছিয়াছ হ'ব পাৰে বুলি বৰঝাৰৰ আঞ্চলিক বতৰ বিজ্ঞান কেন্দ্ৰই আগজাননী দিছে।

এই সময়ছোৱাত অসম, অৰুণাচল প্ৰদেশ, নাগালেণ্ড, মিজোৰাম, ত্ৰিপুৰা আৰু মণিপুৰৰ কোনো কোনো অংশত পাতলীয়া পৰা মজলীয়া বৰষুণ পৰাৰ সম্ভাৱনা আছে বুলি বতৰ বিজ্ঞান কেন্দ্ৰই আগলি বতৰা দিছে।

০০০০০০

**সমাপ্ত**